অসম বিধান সভা
উত্তৰদানৰ তাৰিখ- ১৫/০৭/২০২৬
তৰাবিহীন প্ৰশ্ননং- ৩৭২
*বিষয়ঃ* চুবুৰীয়া ৰাজ্যৰ সৈতে অসমৰ সীমাবিবাদৰ মীমাংসা ।
শ্ৰীঅখিল গগৈ ঃ

মাননীয় সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ মুঠ ভৌগলিক মাটিৰ পৰিমাণ কিমান আৰু চুবুৰীয়া ৰাজ্য সমূহৰ (নাগালেণ্ড, অৰুণাচল, মেঘালয়, মিজোৰাম) সৈতে থকা সীমান্তৰ দৈৰ্ঘ্য কিমান ? ইয়াৰে কিমান সাংবিধানিক ভূমি বৰ্তমান চুবুৰীয়া ৰাজ্যৰ বেদখলত আছে আৰু যোৱা ৫ বছৰত চৰকাৰী প্ৰচেষ্টাত কিমান মাটি মুক্ত কৰা হ'ল ?

(খ) সীমা সংঘাত মীমাংসাৰ বাবে অৰুণাচল, মেঘালয় আৰু মিজোৰামৰ সৈতে চলি থকা বুজাবুজিৰ অধীনত অসমে নিজৰ সাংবিধানিক সীমাৰ কিমান হেক্টৰ মাটি এৰি দিবলগীয়া হৈছে আৰু তাৰ বিনিময়ত আন ৰাজ্যৰ পৰা কিমান মাটি লাভ কৰিব ? এই সন্দৰ্ভত গঠিত মন্ত্ৰী পৰ্য্যায়ৰ গোট সমূহৰ প্ৰতিবেদন সদনত দাখিল কৰিবনে ?

(গ) কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ উপস্থিতিত নাগালেণ্ডৰ সৈতে হোৱা আলোচনাত অসমৰ কিমান মাটি এৰি দিবলৈ সন্মতি প্ৰকাশ কৰা হৈছে ? এই সমগ্ৰ আন্তঃৰাজ্যিক ভূমি বিবাদ মীমাংসাৰ অন্ত পৰিলে অসমৰ সামগ্ৰিক ভৌগলিক সীমা কিমান হ্ৰাস পাব, সবিশেষ জনাবনে ?

<u>উত্তৰ</u>

সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰী অতুল বৰা দেৱে উত্তৰ দিব।

(ক) অসমৰ মুঠ ভৌগলিক মাটিৰ পৰিমাণ ৭৮,৪৩৮ বৰ্গ কি ঃ মি ঃ।

অসমৰ সৈতে চুবুৰীয়া ৰাজ্য সমূহৰ সৈতে থকা সীমান্তৰ দৈৰ্ঘ্য তলত উল্লেখ কৰা হ'ল।

(সীমান্তৰ দৈৰ্ঘ্য ভাৰতীয় জৰীপ বিভাগ (Survey of India)ৰ তথ্য অনুসৰি)

| ক্ৰমিক নং | ৰাজ্য | সীমান্তৰ দৈৰ্ঘ্য (কি ঃ মি ঃ) |
|---|---|---|
| ১ | অসম-নাগালেণ্ড | ৫১২.১ |
| ২ | অসম- অৰুণাচল | ৮০৪.১ |
| ৩ | অসম-মেঘালয় | ৮৮৪.৯ |
| ৪ | অসম-মিজোৰাম | ১৬৪.৬ |

সীমান্তৰ ৰাজ্যসমূহে অসমৰ ভূমি বেদখল কৰি থকাৰ পৰিমাণৰ তথ্য তলত উল্লেখ কৰা হ'ল-:

| ক্ৰমিক নং | অসমৰ ভূমি বেদখল কৰা চুবুৰীয়া ৰাজ্যৰ নাম | বেদখল কৰা ভূমিৰ পৰিমাণ (হেক্টৰত) |
|---|---|---|
| ১ | অৰুণাচল প্ৰদেশ | ১৬১৪৪.০১১৭ |
| ২ | নাগালেণ্ড | ৫৯৪৯০.২১ |
| ৩ | মেঘালয় | ৩৪৪১.৮৬০১ |
| ৪ | মিজোৰাম | ৩৬৭৫.৭৮ |

সীমান্তৰ ৰাজ্যসমূহৰ লগত হৈ থকা দীৰ্ঘদিনীয়া সীমা -বিবাদ লগতে বেদখল কৰি থকা অঞ্চলসমূহ বেদখলমুক্ত কৰিবলৈ অসম চৰকাৰে চুবুৰীয়া ৰাজ্যসমূহৰ লগত আলোচনাৰ মাধ্যমেৰে বহুখিনি আগবাঢ়িছে। এই আলোচনা পূৰ্ণ পৰ্যায় প্ৰাপ্তিৰ লগতে জৰীপৰ কাম সমাপ্ত হলেহে বিতং তথ্য জনাব পৰা যাব।

(খ) <u>অসম-অৰুণাচল প্ৰদেশৰ সীমা সমস্যা :</u>

অসম অৰুণাচল প্ৰদেশৰ মুঠ ৮০৪.১০ কিলোমিটাৰ দৈৰ্ঘ্যৰ সীমাত অসমৰ ৮ খন জিলাৰ লগত অৰুণাচল প্ৰদেশৰ ১২ খন জিলা অৱস্থিত। সীমা -বিবাদ নিষ্পত্তি কৰিবলৈ দুয়োখন ৰাজ্যৰ চৰকাৰে ১২ খনকৈ আঞ্চলিক কমিটি (Regional Committee) গঠন কৰে । দুয়োখন ৰাজ্যৰে পাৰস্পৰিক আঞ্চলিক কমিটিবোৰে সীমান্ত এলেকাসমূহ যুটীয়াভাৱে পৰিদৰ্শন আৰু স্থানীয় লোকৰ লগত কৰা আলোচনাৰ লগতে কমিটিবোৰৰ পাৰস্পৰিক মত বিনিময়ৰ দ্বাৰা আন্তঃৰাজ্যিক সীমা বিবাদ নিষ্পত্তি কৰিবলৈ ব্যৱস্থা লোৱা হৈছে। সেইমৰ্মে অৰুণাচল প্ৰদেশে দাবী কৰা ১২৩ খন গাওঁৰ ওপৰত যোৱা ইং ২০/০৪/২০২৩ তাৰিখে কেন্দ্ৰীয় চৰকাৰৰ মাননীয় গৃহ মন্ত্ৰী মহোদয়ৰ উপস্থিতিত নতুন দিল্লীত বুজাবুজিৰ চুক্তি (Memorandum of Understanding) কৰা হয়। তাৰোপৰি উল্লেখিত ১২৩ খন গাঁওৰ উপৰিও আগতে জৰীপ নোহোৱা এলেকা সমূহৰ যুটীয়া সীমা জৰীপ কৰিবলৈ ব্যৱস্থা লোৱা হৈছে।

সেই মৰ্মে সীমা বিবাদ নিষ্পত্তি কৰিবলৈ খণ্ড খণ্ড কৈ আন্তঃ ৰাজ্যিক সীমাৰ মুঠ ২৯১.০৮ কিঃমিঃ অংশ দুয়োখন ৰাজ্যৰ সহমতত নিশ্চিত কৰা হৈছে | ইয়াৰে মুঠ ১৪৯.৬১ কিলোমিটাৰ দৈৰ্ঘ্যৰ সীমা দুয়ো ৰাজ্যৰ প্ৰতিনিধি উপস্থিতিত যোৱা ইং ০৯/০২/২০২৬ তাৰিখৰ পৰা ১০/০৬/২০২৬ তাৰিখলৈ  যুটীয়া ভাবে ভাৰতীয় জৰীপ বিভাগ (SOI) ৰ দ্বাৰা নিৰ্ধাৰণ কৰা হৈছে । বাকী থকা অংশৰ জৰীপৰ কাৰ্য বৰ্ষা ঋতুৰ পিছত কৰা হব।

<u>অসম-মেঘালয় সীমা সমস্যা :</u>

অসমৰ সৈতে চুবুৰীয়া ৰাজ্যৰ সীমা বিবাদৰ ক্ষেত্ৰত অসম চৰকাৰে কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ উপদেশ মৰ্মে মেঘালয় চৰকাৰৰ লগত দ্বিপাক্ষিক বুজাবুজি- চুক্তিৰ জৰিয়তে সীমা বিবাদ নিষ্পত্তি কৰিবলৈ ব্যৱস্থা হাতত লৈছে ।

অসম-মেঘালয়ৰ মাজত ১২ টা এলেকাৰ সীমা বিবাদ আছে। সেই এলেকা কেইটা হল-১) তাৰাবাৰী, ২) গিজাং, ৩) হাহিম, ৪) লাম্পি, ৫) বৰদুৱাৰ, ৬) বকলাপাৰা, ৭) নংৱা-মৌতামুৰ (গড়ভঙা), ৮) খানাপাৰা-পিলিংকাটা, ৯) দেশডুমৰীয়া, ১০) ব্লক-১ আৰু ব্লক-২, ১১) পিচিয়াৰ-খান্দুলী আৰু ১২) ৰাতাচেৰা । এই ১২ টা এলেকাৰ প্ৰথম পৰ্য্যায়ত ৬ টা অঞ্চল ক্ৰমে (তাৰাবাৰী, হাহিম, গিজাং, বকলাপাৰা, খানাপাৰা-পিলিংকাটা, ৰাতাচেৰাৰ বাবে দুয়োখন ৰাজ্যই  ৩ খনকৈ আঞ্চলিক কমিটি (Regional Committee) গঠন কৰি দুয়োখন ৰাজ্যৰে পাৰস্পৰিক আঞ্চলিক কমিটিবোৰে সীমান্ত এলেকাসমূহ যুটীয়াভাৱে পৰিদৰ্শন আৰু স্থানীয় লোকৰ সৈতে আলোচনা কৰি কমিটিবোৰৰ পাৰস্পৰিক মত বিনিময়েৰে নিজ নিজ চৰকাৰক প্ৰতিবেদন দাখিল কৰাৰ পিছত দুয়োখন চৰকাৰৰ যুটীয়া সিদ্ধান্ত মৰ্মে আন্তঃৰাজ্যিক সীমা বিবাদ নিষ্পত্তি কৰিবলৈ ব্যৱস্থা লৈছে। সেইমৰ্মে মেঘালয়ে দাবী কৰা ১২ টা অঞ্চলৰ ভিতৰত প্ৰথম পৰ্য্যায়ত উপৰোক্ত ৬ টা অঞ্চলৰ বাবে ইং ২৯/০৩/২০২২ তাৰিখে ভাৰত চৰকাৰৰ মাননীয় কেন্দ্ৰীয় গৃহ মন্ত্ৰী মহোদয়ৰ উপস্থিতিত নতুন দিল্লীত বুজাবুজিৰ চুক্তি (Memorandum of Understanding)  দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰীদ্বয়ে স্বাক্ষৰ কৰে ।

পৰৱৰ্তী সময়ত দুয়ো ৰাজ্যৰ সহমতত ভাৰতীয় জৰীপ বিভাগে (Survey of India) দুয়ো ৰাজ্যৰ প্ৰতিনিধিৰ উপস্থিতিত হাহিম এলেকাৰ যুটীয়া জৰীপ আৰু সীমাৰ খুটা পোতাৰ কাম সম্পূৰ্ণ কৰা হৈছে । তেনেকৈ গিজাং এলেকাৰ যুটীয়া জৰীপ আৰু সীমাৰ খুটা পোতাৰ কাম বৰ্তমান শেষ পৰ্যায়ত আছে । তাৰাবাৰী এলেকাৰ বাবে মেঘালয় চৰকাৰে সমন্বয় বিষয়া (Nodal Officer) হাতত লোৱা যাবতীয় কাৰ্য্যৰ প্ৰতিবেদন পৰীক্ষণ কৰাৰ পাছত তাৰাবাৰী এলেকাৰ সীমা নিৰ্ধাৰণ ব্যৱস্থা হাতত লোৱা হব । বকলাপাৰা এলেকাৰ চৰজমিন স্থিতি নিৰূপণৰ বাবে ৰাভা হাচং স্বায়ত্ব পৰিষদক দায়িত্ব দিয়া হৈছে , তেওঁলোকৰ প্ৰতিবেদনৰ বাবে অপেক্ষা কৰা হৈছে । ৰাতাচেৰা এলেকাৰ বাবে সীমা নিৰ্ধাৰণ কৰি মেঘালয় চৰকাৰৰ সহমতৰ বাবে প্ৰস্তাৱ পঠিওৱা হৈছে ।মেঘালয় চৰকাৰৰ উত্তৰৰ বাবে অপেক্ষাৰত । খানাপাৰা-পিলিংকাটা এলেকাৰ সহমতৰ সীমা নিৰ্ধাৰণৰ বাবে দুয়োৰাজ্যৰ প্ৰতিনিধিৰ উপস্থিতিত SOI ৰ দ্বাৰা যুটীয়া জৰীপ কৰি থকা হৈছে

বাকী থকা ৬ টা বিবাদমান অঞ্চল  লামপী, দেশডুমৰীয়া, বৰদুৱাৰ, নংৱা-মৌতামুৰ  (গড়ভঙা), ব্লক-১ আৰু ব্লক-২ আৰু পিচিয়াৰ-খান্দুলীৰ  বাবেও ৩ খনকৈ আঞ্চলিক কমিটি (Regional Committee) দুয়োখন ৰাজ্যই গঠন কৰিছে । এই আঞ্চলিক কমিটি সমূহে পাৰস্পৰিক ভাবে আলোচনা কৰি আৰু স্থান সমূহ যুটীয়া ভাবে পৰিদৰ্শন কৰি স্থানীয় লোকৰ লগত আলোচনা মৰ্মে সীমা সমস্যা সমাধান কৰিবলৈ ব্যৱস্থা লোৱা হৈছে।

<u>অসম-মিজোৰামৰ প্ৰদেশৰ সীমা সমস্যা :</u>

অসম আৰু মিজোৰাম ৰাজ্যৰ ক্ষেত্ৰত মিজোৰামে দাবী কৰা ভূমি এলেকাৰ সীমা সমস্যা নিষ্পত্তি কৰিবলৈ দুয়োখন ৰাজ্যৰ মাজত ভিন্ন পৰ্য্যায়ত দীপাক্ষিক আলোচনা চলি আছে ।

অসম-অৰুণাচল আৰু অসম-মেঘালয়  চৰকাৰৰ মাজত ক্ৰমে ইং ২০/০৪/২০২৩ আৰু ইং ২৯/০৩/২০২২ তাৰিখে কেন্দ্ৰীয় গৃহ মন্ত্ৰীৰ উপস্থিতিত নতুন দিল্লীত মুখ্য মন্ত্ৰী মহোদ্বয়ে  বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। সেই মৰ্মে বৰ্তমান দুয়ো ৰাজ্যৰ লগত সীমা জৰীপ আৰু সীমাৰ জৰীপৰ কাম কৰি থকা হৈছে। চুবুৰীয়া ৰাজ্যৰ লগত থকা আন্তঃৰাজ্যিক সীমাৰ জৰীপ কাৰ্য্য সম্পূৰ্ণ হলেহে এৰি দিব লগা বা পাব লগা মাটিৰ সঠিক তথ্য  সদনত দাখিল কৰিব পৰা যাব ।

(গ) অসম আৰু নাগালেণ্ড ৰাজ্যৰ ক্ষেত্ৰত সীমা সমস্যা নিষ্পত্তি কৰিবলৈ মহামান্য উচ্চতম ন্যায়ালয়ত অসম চৰকাৰে নথি ভুক্ত কৰা গোচৰ বৰ্তমান O.S. No. 02 of 1988 বিচাৰাধীন হৈ আছে । তাৰোপৰি দুয়োখন ৰাজ্যৰ মাননীয় মুখ্যমন্ত্ৰীদ্বয়ৰ মাজত সৌহাৰ্দ্যমূলক আলোচনা চলি আছে । কেন্দ্ৰীয় গৃহ মন্ত্ৰী উপস্থিতিত অসম আৰু নাগালেণ্ডৰ মাজত বৰ্তমানলৈকে আন্তঃ ৰাজ্যিক সীমা সংক্ৰান্তীয় কোনো বুজা বুজিৰ চুক্তি হোৱা নাই।

বিঃদ্ৰঃ - উত্তৰ NeVA portal https://cms.neva.gov.in/ ত আপলোড কৰা হৈছে ।

*************